**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

***:::::::::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া জাপান ভ্ৰমণ সামৰি চীনত উপস্থিত হৈছে। তেওঁ কাইলৈ চীনত অনুষ্ঠিত হ'বলগীয়া চাংহাই সহযোগিতা সংস্থাৰ ২৫ সংখ্যক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

২। বিগত এঘাৰ বছৰত ভাৰতত বৈদ্যুতিক আহিলা উৎপাদন ছগুণ পৰ্যন্ত বৃদ্ধি হৈ ১১ কোটি ৫০ লাখ উৎপাদন মূল্য লাভ কৰিছে বুলি কেন্দ্ৰীয় ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে উত্তৰ প্ৰদেশত টেম্পাৰড গ্লাছ নিৰ্মাণ প্ৰকল্প উদ্বোধন কৰি মন্তব্য কৰে।

৩। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা কেৱল বিকল্প নহয়। বৰং ই হৈছে অস্তিত্ব আৰু প্ৰগতিৰ চৰ্ত বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰে।

৪। জম্মু-কাশ্মীৰৰ ৰামবান জিলাৰ ৰাজগড় টেহচিলৰ দ্ৰুপদা গাঁৱত হোৱা ডাৱৰ বিস্ফোৰণ আৰু ভূমিস্খলনৰ ঘটনাত বিগত ১২ ঘণ্টাত ১১ জন লোকৰ মৃত্যু হৈছে। ***আৰু***

৫। পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ আজিৰ খেলখনত মালয়েছিয়াই যোৱাবাৰৰ বিজয়ী কোৰিয়াক ৪-১ গ'লত পৰাস্ত কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া জাপান ভ্ৰমণ সামৰি চীনত উপস্থিত হৈছে। দেশখনৰ তিয়েনজিনত কাইলৈ অনুষ্ঠিত হ'বলগীয়া দুদিনীয়া চাংহাই সহযোগিতা সংস্থাৰ ২৫ সংখ্যক শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্ব নেতাসকলৰ সৈতে অংশগ্ৰহণ কৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে বিশ্ব নেতাসকলৰ সৈতে আঞ্চলিক সুৰক্ষা, যোগাযোগ, বহনক্ষম বিকাশ আৰু গোলকীয় সহযোগিতা সন্দৰ্ভত আলোচনাত মিলিত হ'ব। এই সন্মিলনত বিগত ২৫ বছৰত সংস্থাৰ সাফল্যৰ পৰ্যালোচনা কৰা হ'ব আৰু এটা দহ বছৰীয়া উন্নয়ন আঁচনি প্ৰস্তুত কৰা হ'ব। চীনে পঞ্চমবাৰৰ বাবে এই সন্মিলনৰ আয়োজন কৰিছে। চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙে এই সন্মিলনত অধ্যক্ষতা কৰিব। ২০ গৰাকীৰো অধিক ৰাষ্ট্ৰপ্ৰধান আৰু দহ গৰাকীৰো অধিক আন্তৰ্জাতিক সংস্থাৰ নেতাই এই সন্মিলনত অংশগ্ৰহণ কৰাৰ আশা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনো সন্মিলনত উপস্থিত থাকিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইশ্বিবাক শিলৰ বাতি ছেটৰ লগতে জাপানী লোকে খাদ্য গ্ৰহণ কৰা ৰূপৰে নিৰ্মিত যুৰীয়া শলা আৰু তেওঁৰ পত্নীক পচমীনা শ্বল উপহাৰ হিচাপে প্ৰদান কৰে। খাদ্য গ্ৰহণ কৰা ৰূপেৰে নিৰ্মিত যুৰীয়া শলাৰ লগতে এই শিলৰ বাতি ছেটে ভাৰতৰ শিল্পকলা আৰু জাপানৰ পৰম্পৰা প্ৰদৰ্শন কৰিছে। মিহি উলেৰে প্ৰস্তুত কৰা পচমীনা শ্বল পাতল, কোমল আৰু গৰম হোৱাৰ বাবে বিশ্বজুৰি ইয়াৰ মূল্য অতুলনীয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া জাপান ভ্ৰমণৰ প্ৰথম দিনা পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ পাছত আজি টকিঅ'ত ১৬ খন প্ৰদেশৰ গৱৰ্নৰৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত প্ৰধানমন্ত্ৰী মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইশ্বিবাই শ্বিংকান শ্বেন বুলেট ৰে'লগাড়ীৰে

নিয়াগী প্ৰদেশৰ ছেণ্ডাইট উপস্থিত হয় আৰু অৰ্ধ পৰিবাহী উৎপাদনৰ কামত ব্যৱহৃত আহিলাপাতিৰ অগ্ৰণী নিৰ্মাতা টকিঅ' ইলেকট্ৰন কাৰখানা পৰিদৰ্শন কৰে।

০০০০

বিগত এঘাৰ বছৰত ভাৰতত বৈদ্যুতিক আহিলা উৎপাদন ছগুণ পৰ্যন্ত বৃদ্ধি হৈ ১১ কোটি ৫০ লাখ উৎপাদন মূল্য লাভ কৰিছে। ৩ লাখ কোটিৰো অধিক বৈদ্যুতিক সামগ্ৰী ৰপ্তানি কৰাৰ লগতে ২৫ লাখ লোক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সংস্থাপিত হৈছে। কেন্দ্ৰীয় ইলেকট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি উত্তৰ প্ৰদেশৰ নয়দাত দেশৰ প্ৰথমটো টেম্পাৰড গ্লাছ নিৰ্মাণ প্ৰকল্প উদ্বোধন কৰি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে টেম্পাৰড গ্লাছ মোবাইল ফোনসমূহৰ বাবে অতি গুৰুত্বপূৰ্ণ আনুসাংগিক অংশ আৰু ইয়াৰ থলুৱা উৎপাদন মেক ইন ইণ্ডিয়াৰ সফলতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতক লৈ দেখা সপোনৰ বৃহৎ পদক্ষেপ। দেশে বৈদ্যুতিক আহিলাপাতি নিৰ্মাণৰ ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰতে ক্ৰমান্বয়ে মোবাইল ফোনত ব্যৱহৃত প্ৰতিবিধ সামগ্ৰী নিৰ্মাণ কৰিব। যাৰ ফলত দেশে বিশ্বৰ ভিতৰতে উল্লেখযোগ্য স্থান লাভ কৰিব। মেক ইন ইণ্ডিয়া উদ্যমৰ প্ৰসাৰৰ লগে লগে আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত অতি শীঘ্ৰে দেশে অগ্ৰগতি লাভ কৰিব বুলি তেওঁ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে যুৱক-যুৱতীসকলক কঠোৰ পৰিশ্ৰম কৰি আত্মনিৰ্ভৰ ভাৰত আৰু বিকশিত ভাৰত ২০৪৭ ৰ দৃষ্টিভংগীত অৰিহণা যোগাবলৈও আহ্বান জনায়।

০০০০

প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা কেৱল বিকল্প নহয়। বৰং ই হৈছে অস্তিত্ব আৰু প্ৰগতিৰ চৰ্ত। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত আজি প্ৰতিৰক্ষা সন্মিলনত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। অপাৰেশ্বন সিন্দূৰৰ সফলতাৰ বিষয়ে আলোকপাত কৰি তেঁও কয় যে এই অভিযানে দেশৰ ক্ৰমবৰ্ধমান প্ৰতিৰক্ষা ক্ষমতাৰ উজ্বল নিদৰ্শন। তেওঁ লগতে কয় যে দেশৰ সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ ভূমিত থলুৱা সজুলী ব্যৱহাৰ কৰা নিখুত আক্ৰমণে প্ৰমাণ কৰিলে যে দূৰদৰ্শিতা, দীৰ্ঘদিনীয়া প্ৰস্তুতি আৰু সমন্বয় অবিহনে কোনো অভিযান সফল হ'ব নোৱাৰে। কিছুদিনৰ বাবে যুদ্ধৰ কাহিনী যেন প্ৰতিয়মান হ'ব পাৰে। কিন্তু এয়া হৈছে পাকিস্তানৰ ওপৰত ভাৰতৰ জয়ৰ কাহিনী আৰু ইয়াত দীৰ্ঘদিনীয়া কৌশলগত প্ৰস্তুতি আৰু প্ৰতিৰক্ষা প্ৰস্তুতিৰ ভূমিকা নিহিত হৈ আছে। সুদৰ্শন চক্ৰ অভিযান সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে এই অভিযানৰ লক্ষ্য হৈছে দেশৰ জটিল স্থানসমূহত প্ৰতিৰক্ষা আৰু প্ৰযুক্তিগত সুৰক্ষা প্ৰদান কৰে।

০০০০

দেশে ক্ৰীড়াৰ বাবে নীতিগত গুৰুত্ব আৰু ৰাজহুৱা বিনিয়োগ বৃদ্ধি কৰিছে। নতুন দিল্লীত আজি পেট্ৰ'লিয়াম ক্ৰীড়া প্ৰমোচন বোৰ্ডে আয়োজন কৰা এটা অনুষ্ঠানত অংশ লৈ পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ২০১৪ চনৰ পিছৰে পৰা দেশক ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়াই নিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০

জম্মু-কাশ্মীৰৰ ৰামবান জিলাৰ ৰাজগড় টেহচিলৰ দ্ৰুপদা গাঁৱত হোৱা ডাৱৰ বিস্ফোৰণ আৰু ভূমিস্খলনৰ ঘটনাত যোৱা ১২ ঘণ্টাত ১১ জন লোকৰ মৃত্যু হৈছে। ভয়াবহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জম্মু অঞ্চললৈ ৰে'লযাত্ৰাৰ লগতে জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথত বাহনৰ চলাচল বিগত ৫ দিন ধৰি বন্ধ হৈছে। আজি পুৱা ৰিয়েছি জিলাৰ বাদেৰগাঁৱত ভূমিস্খলনৰ ফলত এটা পৰিয়ালৰে ৭ জনকৈ লোকে প্ৰাণ হেৰুৱাইছে। অঞ্চলটোত আৱদ্ধ যাত্ৰীসকলক উদ্ধাৰৰ বাবে ৰে'ল বিভাগে জম্মু-টাৱী ৰে'ল ষ্টেছনৰ পৰা ছাপ্ৰা আৰু হাউ ষ্টেছনলৈ দুখন বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে জম্মু প্ৰায়বোৰ চহৰ অঞ্চলত বিদ্যুৎ যোগান পুনৰ আৰম্ভ হৈছে যদিও গাঁৱবোৰত বৰ্তমানেও বিদ্যুৎ সংযোগ ব্যাহত হৈ আছে। বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী কেইবাদিনলৈ

জম্মু-কাশ্মীৰত বৰষুণৰ সম্ভাৱনাৰ কথা প্ৰকাশ কৰাৰ লগতে স্পৰ্শকাতৰ অঞ্চলসমূহত বানপানী, ভূমিস্খলন, শিল খহি পৰা আদি ঘটনাৰ বাবে সাৱধান হৈ থাকিবলৈ নিৰ্দেশনা জাৰি কৰিছে।

০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে আজি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক পৰিস্কাৰ পৰিচ্ছন্নতা অটুত ৰাখি লেতেৰা ঠাইবোৰ শীঘ্ৰেই ছাফা কৰিবলৈ নিৰ্দেশ দিয়ে। স্বচ্ছ ভাৰত অভিযান নগৰ ২.০ ৰ এখন উচ্চ পৰ্যায়ৰ ভাৰ্চুৱেল বৈঠকত অধ্যক্ষতা কৰি মন্ত্ৰীগৰাকীয়ে স্বচ্ছতা আৰু নগৰ উন্নয়ন একেলগে আগবঢ়াই নিয়া হ'ব আৰু এয়া এটা মুদ্ৰাৰেই ইপিঠি সিপিঠি বুলি মন্তব্য কৰে। তেওঁ কয় যে মন্ত্ৰালয়ে নগৰ অঞ্চলসমূহ নিৰ্দিষ্ট  সময়ৰ ভিতৰত পৰিস্কাৰ তথা নিষ্কাষণৰ বাবে কাৰ্যসূচী হাতত লৈছে। ৰাজ্যসমূহত নিয়মীয়া পৰ্যালোচনা, নাগৰিক সংগঠন আৰু স্বচ্ছতা এপৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ে আজি নতুন দিল্লীত দেশৰ কৃত্ৰিম অংগ নিৰ্মাণ নিগমৰ সহযোগত এখন সমন্বয় সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত ভাষণ প্ৰদান কৰি নিগমৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক প্ৰবীন কুমাৰে কয় যে দেশত বৰ্তমান ৭৮ টা প্ৰধানমন্ত্ৰী দিব্যাসা কেন্দ্ৰ কাৰ্যক্ষম হৈ আছে আৰু নিগমৰ তৰফৰ পৰা আৰু অধিক কেন্দ্ৰ মুকলি কৰাৰ লক্ষ্য লোৱা হৈছে। তেওঁ কয় যে নিগমে ২০২৯ চনৰ ভিতৰত ১০০ কিলোমিটাৰ পৰিসৰৰ ভিতৰত কেন্দ্ৰৰ সংখ্যা ৩০০ লৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে।

কৃত্ৰিম অংগ নিৰ্মান নিগমে বিশেষভাৱে সক্ষম লোকসকলকৰ বাবে তিনিচকীয়া বৈদ্যুতিক স্কুটী আৰু উন্নত মটৰচালিত ট্ৰাইচাইকেল অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনা ঘোষণা কৰিছে। এই মডেলটোৱে অনুজ্ঞাপত্ৰৰ প্ৰয়োজন নোহোৱাকৈ বাহনখনত সহজে ব্যৱহাৰৰ সুবিধা প্ৰদান কৰিব। সন্মিলনতে বিশেষভাৱে সক্ষম ব্যক্তি আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে প্ৰধানমন্ত্ৰী দিব্যাশা কেন্দ্ৰৰ উদ্যোগত ৰাজ্য চৰকাৰৰ সৈতে সহায়ক সঁজুলি আৰু ডিলাৰশ্বিপৰ উৎপাদন বৃদ্ধি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। উল্লেখযোগ্য যে পিএমডিকেৰ অধীনত কৃত্ৰিম অংগ নিৰ্মান নিগমে দেশৰ দিব্যাংগসকললৈ ২৩ লাখ সহায়ক সঁজুলি আৰু জ্যেষ্ঠ নাগৰিকলৈ ছয় লাখ সঁজুলি নিৰ্মাণ কৰিছে।

০০০০

সুস্থ ভৱিষ্যতৰ বাবে উদ্ভাৱন-Make in India, Make for the world" শীৰ্ষক বিষয়বস্তুৰে আজি নতুন দিল্লীত সপ্তদশ চি. আই. আই. গ্ল'বেল মেডটেক সন্মিলন ২০২৫ অনুষ্ঠিত হৈছে। সন্মিলনত দেশত চিকিৎসা প্ৰযুক্তিৰ ভৱিষ্যতৰ বিষয়ে আলোচনা কৰিবলৈ উদ্যোগৰ নেতা, উদ্ভাৱক আৰু নীতি নিৰ্ধাৰকসকলক একত্ৰিত হৈছে। সন্মিলনত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় ফাৰ্মাচিউটিকেল সচিব অমিত আগৰৱালে কয় যে বিশ্বৰ অন্য দেশসমূহে এতিয়া ভাৰতক কেৱল বজাৰ হিচাপেই নহয়, স্বাস্থ্যসেৱা উদ্ভাৱনৰ ক্ষেত্ৰৰ নেতা হিচাপে গণ্য কৰে। তেওঁ লগতে উদ্ভাৱক, উদ্যোগী আৰু বিনিয়োগকাৰীসকলক বিকশিত ভাৰত ২০৪৭ ৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিবলৈ চৰকাৰৰ সৈতে সহযোগিতাৰে আগবাঢ়িবলৈ আহ্বান জনায়।

শ্ৰী আগৰৱালে কয় যে বৰ্ধিত ঘৰুৱা চাহিদা আৰু শক্তিশালী চৰকাৰী সমৰ্থনৰ সৈতে দেশে ধাৰাবাহিক উন্নয়ন প্ৰত্যক্ষ কৰিছে। ৰাসায়নিক আৰু সাৰ মন্ত্ৰালয়ে উল্লেখ কৰা অনুসৰি ৰাষ্ট্ৰই এতিয়া আত্মনিৰ্ভৰশীলতাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে, এসময়ত ভাৰতত উৎপাদন কৰিবলৈ অসম্ভৱ যেন লগা MRI আৰু C.T. Scan মেচিন, মেম "গ্ৰাফী ইউনিট, ভেণ্টিলেটৰ, ষ্টেণ্ট, ডায়েলিছিছ মেচিন, হাৰ্ট ভালভ, আৰু ইমপ্লাণ্ট সঁজুলিৰ দৰে উন্নত চিকিৎসা সঁজুলি বৰ্তমান দেশতে উৎপাদন হৈছে।

০০০০

পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ আজি ৰাজগীৰ আন্তৰাষ্ট্ৰীয় হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা এখন খেলত মালয়েছিয়াই যোৱাবাৰৰ বিজয়ী কোৰিয়াক ৪-১ গ'লত পৰাস্ত কৰি প্ৰতিযোগিতাত বৃহৎ অঘটন ঘটাইছে। মালয়েছিয়াৰ হৈ আখিমুল্লা আনোৱাৰে হেট্ৰিক অৰ্জন কৰি দলটোক বিজয় কৰে। আশ্ৰান হামচানীয়ে আনটো গ'ল দিয়ে। ইপিনে খেলখনত দূৰ্বল প্ৰদৰ্শন দাঙি ধৰা কোৰিয়াৰ হৈ জি. ঝিনে একমাত্ৰ গ'লটো দিয়ে। আজি অনুষ্ঠিত হোৱা প্ৰথমখন খেলত বাংলাদেশে চীনা টাইপেয়ীক ৮-৩ গ'লত পৰাস্ত কৰে। কাইলৈ অনুষ্ঠিত হ'বলগীয়া পুল-এৰ খেলখনত ভাৰত জাপানৰ মুখামুখি হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত মন কী বাত অনুষ্ঠানত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতৰ ১২৫ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ  আটাইবোৰ নেটৱৰ্কৰ উপৰি সতশপঞ্জস ৱেৱছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই ৰীলে কৰিব। নিশা ৮ বজাত এই অনুষ্ঠানৰ অসমীয়া ভাষান্তৰ পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

চলিত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত দেশৰ জিডিপি ৭.৮% বৃদ্ধিৰ পাছতে অৰ্থনৈতিক বিশেষজ্ঞ সকলৰ লগতে বিভিন্ন খণ্ডৰ লোকসকলে অৰ্থনৈতিক বিকাশৰ এই ধাৰাটোক দেশৰ উন্নয়নৰ ধনাত্মক দিশ বুলি অভিহিত কৰিছে।

পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিঙ পুৰিয়ে কয় যে, এনে জিডিপি বৃদ্ধিয়ে ভাৰতৰ শক্তিখণ্ডটো গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব। বৰ্তমান ভাৰতৰ ৪ দশমিক ৩ ট্ৰিলিয়ন ডলাৰ অৰ্থনীতিৰ লগতে বৃদ্ধি পোৱা জিডিপিয়ে অৰ্থনৈতিক ব্যৱস্থাটোক লৈ কৰি থকা প্ৰশ্নসমূহৰ এটা উত্তৰ বুলিও মন্ত্ৰীজনে অভিহিত কৰে।

কেন্দ্ৰীয় বানিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুচ গোৱেলে ভাৰতক সংস্কাৰ আৰু স্থিতিস্থাপকতাৰ দ্বাৰা সমগ্ৰ বিশ্বৰ বিকাশৰ ইন্ধন বুলি মন্তব্য কৰিছে। ৰাষ্ট্ৰীয় ষ্টক এক্সচেঞ্জৰ পৰিচালন সঞ্চালক আশীষ কুমাৰ চৌহানে কয় যে, ২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত জিডিপিৰ এনে বিকাশ বিশ্বৰ যিকোনো বৃহৎ ৰাষ্ট্ৰৰ বাবে এয়া উন্নত প্ৰদৰ্শন।

০০০০

সমাপ্ত